# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 07-10-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত আজি ৩৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। ইয়াৰে শিক্ষা বিভাগত ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ১০১ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি অনুসৰি যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। আজিৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পালে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এতিয়াও প্ৰায় ৪০ হাজাৰ পদৰ বাবে নিযুক্তি প্ৰক্ৰিয়া চলি আছে। ২০২৬ চনৰ ভিতৰত এক লাখ ৭০ হাজাৰ নিযুক্তি সম্পন্ন কৰাৰ লক্ষ্যৰে কাম কৰি থকা বুলিও তেওঁ লগতে প্ৰকাশ কৰে। বৰ্তমানলৈকে সম্পন্ন হোৱা এক লাখতকৈও অধিক নিযুক্তি সন্দৰ্ভত কোনো ধৰণৰ অনিয়মৰ অভিযোগ উত্থাপন হোৱা নাই বুলিও মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে।

আনহাতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে আজিৰ নিযুক্তি প্ৰদান অনুষ্ঠানৰ সন্দৰ্ভত কয় যে, ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্ৰম কৰাটোৱে এই কথাকেই প্ৰমাণ কৰিছে।

০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় বৰ্গৰ চতুৰ্থ আৰু পঞ্চম কাকতৰ পৰীক্ষাৰ বাবে অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ বাবে এলানি গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰা হৈছে। এই অনুসৰি প্ৰাৰ্থীসকলে ৮ অক্টোবৰৰ পৰা ২২ অক্টোবৰ পৰ্যন্ত তেওঁলোকৰ অ' এম আৰ শ্বীট ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে চতুৰ্থ আৰু পঞ্চম দুয়োখন কাকতৰ অফিচিয়েল এনচাৰ কী ৯ অক্টোবৰৰ পুৱা ৬ বজাৰ পৰা উপলব্ধ হ'ব। প্ৰাৰ্থীসকলে তেওঁলোকৰ উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচাৰিলে ৯ অক্টোবৰৰ পৰা ১৮ অক্টোবৰৰ ভিতৰত আবেদন জনাব পাৰিব।

০০০০০০০

মাইক্ৰো আৰ এন এৰ আৱিষ্কাৰ আৰু পোষ্ট ট্ৰেন্সক্ৰিপচনেল জিন নিয়ন্ত্ৰণত ইয়াৰ ভূমিকা সন্দৰ্ভত কৰা গৱেষণাৰ বাবে বিজ্ঞানী ভিক্টৰ এম্ব্ৰোজ আৰু গেৰী ৰুভকুনলৈ ২০২৪ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে, মাইক্ৰো আৰ এন এ হৈছে জিনৰ কাৰ্যক্ষমতা নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় এটা প্ৰাথমিক সিদ্ধান্ত। উল্লেখ্য যে, ১৯০১ চনৰে পৰা প্ৰদান কৰি অহা চিকিৎসা বিজ্ঞানত এইটো

হৈছে ১১৫ সংখ্যক ন'বেল বঁটা। পদাৰ্থ বিজ্ঞানৰ নবেল বঁটাৰ ঘোষণা কাইলৈ আৰু ৰসায়ন বিজ্ঞানৰ ঘোষণা বুধবাৰে কৰা হ'ব।

০০০০০০০

ধুবুৰী জিলাৰ বিলাসীপাৰা সমজিলাৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতে আজি ১৩ জন হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। আদালতৰ সূত্ৰই জনোৱা মতে, বিলাসীপাৰা থানাৰ অন্তৰ্গত বুৰালকামুৰী প্ৰথম খণ্ড গাঁৱত ১৯৯৬ চনত হোৱা এটা ভূমি বিবাদত ৯ জনকৈ লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ লগতে ৩ জন নিহত হৈছিল। হত্যাকাণ্ডটোত জড়িত থকা আন ৬ জন লোকৰ ইতিমধ্যে মৃত্যু হোৱাৰ লগতে আন দুজনক নাৱালক হোৱাৰ বাবে আদালতে শাস্তিৰ পৰা ৰেহাই দিয়ে।

০০০০০০০

শাৰদীয় দুৰ্গা পূজা উপলক্ষে গুৱাহাটী পৌৰ নিগমে বিগত বৰ্ষৰ দৰে এইবাৰো পূজা সমিতিসমূহৰ মাজত স্বচ্ছতা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আজি এখন সংবাদমেলযোগে দুৰ্গা পূজাৰ পৰা কালী পূজালৈকে স্বচ্ছতা বজাই ৰখা পূজা সমিতিসমূহক প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰদানৰ কথা ঘোষণা কৰে।

ইয়াৰ উপৰি পেলনীয়া সামগ্ৰী তথা জাৱৰ আদি সংগ্ৰহৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰা বেচৰকাৰী সংস্থাসমূহৰ মাজতো প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে। তেওঁ কয় যে, লগতে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাৰ ক্ষেত্ৰত ভূমিকা লোৱা পাৰিষদসমূহৰ সংশ্লিষ্ট ৱাৰ্ডৰ উন্নয়নৰ বাবেও বিশেষ পুঁজি আগবঢ়োৱা হ'ব। দুৰ্গা পূজাৰ মণ্ডপসমূহত **আমাৰ গুৱাহাটী, দায়িত্বও আমাৰ** শীৰ্ষক শ্লোগান লগোৱাৰ ব্যৱস্থা কৰিব বুলিও মেয়ৰগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসমূহৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউলনোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ